জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৪৯/২০২০

# দুৰ্ঘটনাত নিহত হোৱা জ্যেষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

# মুখ্যমন্ত্ৰীৰ নিৰ্দেশত তৎপৰতাৰে আৰক্ষীৰ ব্যৱস্থা গ্ৰহণ

## দুৰ্ঘটনা সংঘটিত কৰা বাহনৰ চালক-হেণ্ডিমেন কৰায়ত্ত, বাহন জব্দ

**দিছপুৰ, ১২ নৱেম্বৰ ঃ** আজি তিনিচুকীয়া জিলাত দুৰ্ঘটনাত পতিত হৈ মৃত্যুবৰণ কৰা জ্যেষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত পৰাগ ভূঞাই ৰাজ্যখনৰ সংবাদজগতলৈ যি বৰঙনি আগবঢ়াই গৈছে সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি তেখেতে সাংবাদিকসকলক ঐক্যবদ্ধ কৰি ৰখাৰ লগতে সাংবাদিকসকলৰ কল্যাণৰ দিশতো অৰিহণা যোগাই গৈছে। এইগৰাকী বিশিষ্ট সাংবাদিকৰ বিয়োগ আমাৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত পৰাগ ভূঞাৰ  বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

সাংবাদিক পৰাগ ভূঞাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। বিশিষ্ট সাংবাগিকগৰাকীৰ বিয়োগ ৰাজ্যখনৰ সংবাদজগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। তেওঁ প্ৰয়াত পৰাগ ভূঞাৰ  বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষকে তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰাৰ ফলশ্ৰুতিত পৰাগ ভূঞাক দুৰ্ঘটনাত পতিত কৰোৱা *এ এছ ২৩ বি চি-৭৮৮১* নম্বৰৰ বাহনখন জব্দ কৰাৰ লগতে চালক জেমছ মুঢ়া আৰু হেণ্ডিমেন বাবা বৰদলৈক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে।

**প্ৰঃকুঃবঃ / বঃভাঃ**
**১২/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in